কৰ্ম মোৰ সংস্কৃতি

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ :
*Ref :*

তাৰিখ :
*Date :*

**Plantation Drive at Assam Jatiya Bidyalay, Noonmati.**
**Tributes paid to Atal Bihari Vajpayee and Kuldeep Nayar.**

**Guwahati, 23 August, 2018 :** As a part of year-long Silver Jubilee Celebration (1 January, 2018 to 1 January, 2019), Assam Jatiya Bidyalay, Noonmati today successfully launched a plantation drive programme at Noonmati area on Maniram Dewan Path. The programme started at 9.30 am by offering rich tributes to the departed souls of former Prime Minister Atal Bihari Vajpayee and veteran Indian journalist, syndicated columnist and a human right activist Kuldeep Nayar (who had also contributed financial help to Assam Jatiya Bidyalay from his MP fund.) The plantation drive was conducted on the both sides of the road and the programme was attended by eminent musician Ramen Barua, Jogen Barpujari, the executive director of Guwahati Refinery, eminent social worker Debeshwar Bhattacharya, the President and the Secretary of AASU, Noonmati, the members of Noonmati Bihu Sanmilani, the workers' union of Guwahati Refinery, the members of Srimanta Sankardev Kirtanghar, Durga Puja Committee, Noonmati Merchants' Association, Rana Star Club, the members of the Management Committee of the school, all the teaching and non-teaching staff and the students from Higher Secondary section. The Principal of the school Ghanashyam Medhi welcomed all the dignitaries for being a part of this noble initiative and the Secretary of the Management Committee Dr. Narayan Sharma in his speech spoke on the importance of planting more trees in this era of rising pollution. He also asserted that the school authority would certainly take sufficient steps for taking complete care of the saplings planted today on both sides of Noonmati area. Jogen Barpujari, the executive director of Guwahati Refinery, lauded this step from the school authority looking at the increasing rate of pollution in the city and after his speech, the plantation drive began. The whole programme was anchored by Ashim Krishna Baruah and the convenor of this programme was Mr. Kunjar Das.

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay
Noonmati, Guwahati

কৰ্ম মোৰ সংস্কৃতি

অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ :
*Ref :*

তাৰিখ :
*Date :*

**অসম জাতীয় বিদ্যালয়ৰ উদ্যোগত 'গছপুলি ৰোপণ'ৰ সফল ৰূপায়ণ**

<u>নুনমাটি, গুৱাহাটী, ২৩ আগষ্ট, ২০১৮</u> : সাম্প্ৰতিক সময়ত প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষাৰ ক্ষেত্ৰত গছ-গছনিৰ প্ৰয়োজনীয়তাক উপলব্ধি কৰি অসম জাতীয় বিদ্যালয়ে ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে 'গছপুলি ৰোপণ'ৰ এক অতুলনীয় পদক্ষেপ হাতত লয়। পুৱা ৯.৩০ বজাত আৰম্ভ হোৱা এই অনুষ্ঠানটিত সদ্য প্ৰয়াত প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ী আৰু বিশিষ্ট সাংবাদিক কুলদীপ নায়াৰৰ বিদেহ আত্মাৰ চিৰশান্তিৰ অৰ্থে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। উল্লেখযোগ্য যে প্ৰয়াত নায়াৰদেৱে সদৌ অসম ছাত্ৰ সন্থাৰ জৰিয়তে সাংসদ পুঁজিৰ পৰা অসম জাতীয় বিদ্যালয়লৈ আৰ্থিক অনুদান আগবঢ়াইছিল।

গছপুলি ৰোপণৰ অনুষ্ঠানত উপস্থিত থাকে বিশিষ্ট সংগীতজ্ঞ ৰমেন বৰুৱা, গুৱাহাটী তেল শোধনাগাৰৰ কাৰ্যবাহী সঞ্চালক যোগেন বৰপূজাৰী, বিশিষ্ট সমাজসেৱক দেৱেশ্বৰ ভট্টাচাৰ্য আৰু নুনমাটি ছাত্ৰ সন্থা, নুনমাটি বিহু সন্মিলনী, নুনমাটি দুৰ্গা পূজা পৰিচালনা সমিতি, গুৱাহাটী তেল শোধনাগাৰ শ্ৰমিক সন্থা, শ্ৰীমন্ত শংকৰদেৱ কীৰ্তন ঘৰ পৰিচালনা সমিতি, নুনমাটি মাৰ্চেণ্ট এছ'ছিয়েশ্বন, ৰাণা ষ্টাৰ ক্লাব, বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্যসকল, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, স্থানীয় ৰাইজ আৰু বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থী। বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে আদৰণি ভাষণত গছপুলি ৰোপণ কৰা কাৰ্যত সহায় কৰা স্থানীয় নাগৰিকসকলৰ লগতে স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ববীয়া সকলক কৃতজ্ঞতা জ্ঞাপন কৰে। অসম জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ বছৰজোৰা কাৰ্যসূচীৰ অন্যতম হিচাপে নুনমাটি অঞ্চলত গছপুলি ৰোপণৰ কাৰ্যসূচী গ্ৰহণ কৰা বুলি মন্তব্য আগবঢ়ায় অসম জাতীয় বিদ্যালয়ৰ সচিব ডা° নাৰায়ণ শৰ্মাই। লগতে ডা° শৰ্মাই আশ্বাস দিয়ে যে ৰোপণ কৰা গছপুলিসমূহৰ সম্পূৰ্ণ তদাৰকৰ ব্যৱস্থা অসম জাতীয় বিদ্যালয়ে গ্ৰহণ কৰিব। গুৱাহাটী তেল শোধনাগাৰৰ কাৰ্যবাহী সঞ্চালক যোগেন বৰপূজাৰীদেৱে তেওঁৰ বক্তব্যত বিদ্যালয়ৰ এনে কাৰ্যক প্ৰশংসা কৰে। ভাষণ প্ৰদান অনুষ্ঠানৰ পিছতেই গছপুলি ৰোপণ কাৰ্য আৰম্ভ হয়। গছপুলি ৰোপণ কৰা বিশিষ্ট ব্যক্তিসকল হ'ল ক্ৰমে— ডা° নাৰায়ণ শৰ্মা, দিলীপ কুমাৰ দত্তচৌধুৰী, যোগেন বৰপূজাৰী, দেৱেশ্বৰ ভট্টাচাৰ্য, ৰমেন বৰুৱা, প্ৰাঞ্জল ডেকা, টিকেন্দ্ৰজিৎ কোঁৱৰ, কিশোৰ দেউৰী, নৰেন্দ্ৰ মোহন গোস্বামী, ৰঞ্জিৎ নাৰায়ণ ডেকা, মধুৰঞ্জন নাথ, গোপাল দাস, প্ৰদীপ তালুকদাৰ, তপন ভূএগ, প্ৰকাশ মহন্ত, প্ৰণৱ তালুকদাৰ, ঘনশ্যাম মেধি, ধ্ৰুৱ শৰ্মা, উদয়া ফুকন, ৰবীন্দ্ৰ বৰ্মন, উৎপলা বৰা, নিৰ্মালী অধিকাৰী, অলকা গোস্বামী, লীলা বৰদলৈ আৰু নগেন শৰ্মা। বিদ্যালয়ৰ চৌহদৰ পৰা নুনমাটি অঞ্চলৰ পথৰ দুয়োকাষে এই গছপুলি ৰোপণ কাৰ্য সম্পন্ন কৰা হয়। সমগ্ৰ অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱাই আৰু আহ্বায়ক হিচাপে দায়িত্ব পালন কৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক কুঞ্জৰ দাসে।

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০